# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-FEB-2026
**Time :** 0900  Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। মেঘালয়ৰ পূব জয়ন্তীয়া পাহাৰৰ কয়লা খনিত ডিনামাইটৰ বিস্ফোৰণত পাহাৰৰ অংশ খহি পৰা ঘটনাত মৃত্যু হোৱা লোকৰ সংখ্যা ১৮লৈ বৃদ্ধি।

২। বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে চৰাইদেউ মৈদামৰ স্বীকৃতিয়ে কেৱল অসমৰে নহয়, বৰঞ্চ সমগ্ৰ দেশৰ ইতিহাসক বিশ্ব দৰবাৰত নতুন পৰিচয় প্ৰদান কৰিছে বুলি মুখ্যমন্ত্ৰীৰ মন্তব্য।

৩। জামুগুৰিহাটত আজিৰেপৰা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৫ সংখ্যক বাৰ্ষিক অধিৱেশন।

৪। নাগালেণ্ড সীমান্ত আঞ্চলিক প্ৰাধিকৰণ গঠনৰ বাবে কেন্দ্ৰীয় চৰকাৰ, নাগালেণ্ড চৰকাৰ আৰু ইষ্টাৰ্ণ নাগালেণ্ড পিপ্‌লছ অৰ্গেনাইজেশ্যনৰ মাজত চুক্তি।

*আৰু*

৫। ১৯ বছৰ অনুৰ্ধ এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত আজি ভাৰত ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ।

oooooo

মেঘালয়ৰ পূব জয়ন্তীয়া পাহাৰৰ তাছ্‌খাইত ছুটাংগাত কয়লা খননৰ সময়ত ব্যৱহৃত ডিনামাইটৰ বিস্ফোৰণৰ ফলত পাহাৰৰ অংশ খহি পৰা ঘটনাত মৃত্যু হোৱা লোকৰ সংখ্যা ১৮লৈ বৃদ্ধি পাইছে। খনিৰ ভিতৰত এতিয়াও ভালেসংখ্যক লোক আবদ্ধ হৈ আছে। ইয়ালৈ চাই মৃতকৰ সংখ্যা আৰু বৃদ্ধি পাব পাৰে বুলি আশংকা কৰা হৈছে। নিহতসকলৰ ভিতৰত অসমৰ তিনিজন শ্ৰমিক আছে বুলি জানিব পৰা গৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই ঘটনাক লৈ গভীৰ শোক প্ৰকাশ কৰিছে। যোৱা নিশা গুৱাহাটীত এটা দলীয় কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীয়ে মেঘালয়ত নিহতসকলৰ ভিতৰত তিনিজন কাছাৰৰ কাটিগড়াৰ বুলি নিশ্চিত কৰিব পৰা হৈছে বুলি মন্তব্য কৰে। ড০ শৰ্মাই কয়, যে তেওঁ বিধায়ক কমলাক্ষ দেৱ পুৰকায়স্থ আৰু মন্ত্ৰী কৌশিক ৰয়ক নিহত শ্ৰমিকৰ বাসগৃহলৈ যোৱাৰ পৰামৰ্শ দিছে। শ্ৰমিক তিনিজনৰ পৰিয়াললৈ ৫ লাখ টকাকৈ আগবঢ়োৱাৰ কথাও তেওঁ ঘোষণা কৰে।

*(বাইট ঃ ড০ শৰ্মা)*

মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে মৃত শ্ৰমিকৰ সবিশেষ জনাবলৈ মেঘালয় চৰকাৰক আহ্বান জনোৱা হৈছে। তেওঁ কয়, যে অসম আৰু মেঘালয়ৰ মুখ্য সচিবদ্বয়ে এই বিষয়ত পৰস্পৰৰ যোগাযোগত আছে।

oooooo

বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে চৰাইদেউ মৈদামৰ স্বীকৃতিয়ে কেৱল অসমৰে নহয়, বৰঞ্চ সমগ্ৰ দেশৰ ইতিহাসক বিশ্ব দৰবাৰত নতুন পৰিচয় প্ৰদান কৰিছে বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। চৰাইদেউ জিলাত কালি ইউনেস্ক'ই চৰাইদেউ মৈদামক বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে স্বীকৃতি দিয়া স্মাৰক ফলক উন্মোচন কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে চৰাইদেউত এতিয়াও বহু ঐতিহাসিক সমল অনুসন্ধান কৰিবলৈ বাকী আছে। এই সমলসমূহৰ বৈজ্ঞানিক গৱেষণাৰ বাবে ৰাজ্যৰ যিকোনো এখন বিশ্ববিদ্যালয়ে এই বিষয়ত এটা

অধ্যয়ন কেন্দ্ৰ গঢ়ি তোলাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে যাতে এই বিষয়ত ডক্টৰেট ডিগ্ৰী লাভ কৰিব পাৰে, তাৰবাবে চৰকাৰে গৱেষণা অনুকুল পৰিৱেশ গঢ়ি তুলিব বুলি ডঃ শৰ্মাই উল্লেখ কৰে। বিশ্ব ঐতিহ্যক্ষেত্ৰ হিচাপে চৰাইদেউ মৈদামৰ এই প্ৰাপ্তি ৰাজ্যখনৰ সমৃদ্ধ সভ্যতা, সংস্কৃতি আৰু ঐতিহ্যৰ প্ৰতি বিশ্ব সমাজৰ স্বীকৃতিৰ প্ৰতিফলন বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ গৱেষণা আৰু ৰক্ষণাবেক্ষণৰ জৰিয়তে এই ঐতিহ্য ভৱিষ্যৎ প্ৰজন্মলৈ সংৰক্ষণ কৰাত সকলোকে সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়।

মুখ্যমন্ত্ৰীগৰাকীয়ে কালি নাজিৰা আৰু যোৰহাট বিধান সভা সমষ্টিত আত্মসহায়ক গোটৰ সদস্যাসকলৰ মাজত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ অধীনত চেক বিতৰণ কৰে। যোৰহাটত এই অনুষ্ঠানৰ অংশগ্ৰহণৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত তেওঁ অহা মাৰ্চত জিলাখনত শুভাৰম্ভ কৰিবলগীয়া উন্নয়নমূলক প্ৰকল্পসমূহৰ বিষয়ে প্ৰকাশ কৰে।

বাইট

০০০০০০

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৫ সংখ্যক বাৰ্ষিক অধিৱেশন আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে জামুগুৰিহাটৰ ধলাইবিলৰ জ্যোতি-বিষ্ণু সমন্বয়ক্ষেত্ৰত অনুষ্ঠিত হৈছে। পুৱা নিকা কৰণেৰে অধিৱেশনৰ প্ৰথম দিনাৰ কাৰ্যসূচী আৰম্ভ হয়। আজি প্ৰথম দিনা প্ৰাতঃপ্ৰসংগ, নাম প্ৰসংগ, গছপুলি ৰোপণ, মূৰ তোৰণ উন্মোচন, নামঘৰৰ তোৰণ উন্মোচন, শৰণ সমিতিৰ বৈঠক, মূল সমিতি আৰু আদৰণি সমিতিৰ কাৰ্যালয় উন্মোচনকে ধৰি একাধিক কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এইবাৰৰ অধিৱেশনত কুৰি খনৰো অধিক গ্ৰন্থ উন্মোচন কৰা হ'ব। অধিৱেশনত ছখন অংকীয়া ভাওনাৰো প্ৰদৰ্শন  কৰা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কাইলৈ অধিৱেশনত অংশগ্ৰহণ কৰিব।

০০০০০০

ৰাজ্যত বিগত পাঁচ বছৰত তেল আৰু প্ৰাকৃতিক গেছ নিগম লিমিটেডৰ দ্বাৰা পৰিচালিত তেল আৰু গেছ ক্ষেত্ৰসমূহত গেছ নিৰ্গমন আৰু তেল খাদত জুই লগা ছটা গুৰুতৰ ঘটনা সংঘটিত হৈছে আৰু এনে ঘটনাত তিনিজন লোকে প্ৰাণ হেৰুৱাইছে।  লোকসভাত কালি সাংসদ কালীচৰণ সিঙে সোধা এটা প্ৰশ্নৰ উত্তৰত পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ ৰাজ্য মন্ত্ৰী সুৰেশ গোপীয়ে এই কথা সদৰি কৰে। তেওঁ কয়, যে তেল আৰু প্ৰাকৃতিক গেছ নিগম লিমিটেডে এই ঘটনা সংক্ৰান্তত একাংশ দোষী বিষয়াসকলৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিছে। মন্ত্ৰীগৰাকীয়ে কয়, যে তেল আৰু প্ৰাকৃতিক গেছ নিগম লিমিটেডে তেল আৰু গেছ আহৰণৰ সময়ত সুৰক্ষা বিষয়ক শেহতীয়া নীতি-নিয়ম অনুসৰণ কৰে আৰু নিয়মীয়াভাৱে সুৰক্ষাৰ দিশটোৰ পৰীক্ষা কৰে। খনি সুৰক্ষা সঞ্চালকালয় আৰু তেল উদ্যোগ সুৰক্ষা সঞ্চালকালয়েও সময়ে সময়ে এনে ধৰণৰ পৰীক্ষা সম্পন্ন কৰে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। গেছ নিৰ্গমন আৰু তেলৰ খাদত জুই লগা ঘটনাত ক্ষতিগ্ৰস্ত হোৱা কৃষক, শ্ৰমিক আৰু স্থানীয় বাসিন্দাসকলক প্ৰদান কৰা ক্ষতিপূৰণৰ সবিশেষ প্ৰকাশ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে  শিৱসাগৰত যোৱা ১২ জুনত গেছ নিগমৰ ঘটনাৰ বাবে সাহায্য শিবিৰলৈ স্থানান্তৰ কৰিবলগীয়া হোৱা লোকসকলক জিলা প্ৰশাসনৰ জৰিয়তে এক কোটি ৪৩ লাখ ৫০ হাজাৰ টকাৰ এককালীন সাহায্য প্ৰদান কৰা হৈছে। তেল আৰু প্ৰাকৃতিক গেছ নিগম লিমিটেডে প্ৰতিষ্ঠানটোৰ আন্তঃগাঁথনি উন্নীতকৰণ আৰু নিৰ্ভৰযোগ্যতা বৃদ্ধি কৰাৰ বাবে অত্যাধুনিক প্ৰযুক্তি ব্যৱহাৰত গুৰুত্ব আৰোপ কৰি আহিছে বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

০০০০০০

অহা ৯ ফেব্ৰুৱাৰীত চাহ শ্ৰমিকৰ মাটিৰ পট্টাৰ বাবে কেন্দ্ৰীয়ভাৱে প্ৰপত্ৰ বিতৰণ কৰা হ'ব। সেই দিনাই মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই দিনজয় চাহ বাগিচাৰ পৰা কেন্দ্ৰীয়ভাৱে প্ৰপত্ৰ বিতৰণৰ কামৰ শুভাৰম্ভ

কৰিব আৰু ৰাজ্যৰ ৮৩৬ খন বাগিচাত প্ৰপত্ৰ বিতৰণৰ কাম আৰম্ভ হ'ব। পট্টন পোৱা ভূমি ২০ বছৰলৈ বিক্ৰী কৰিব নোৱাৰিব আৰু ২০ বছৰ পাছত বিক্ৰী কৰিবলগীয়া হ'লে একেখন বাগিচাৰ শ্ৰমিককহে বিক্ৰী কৰিব পাৰিব। ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই কালি কলিয়াবৰত কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰি এই কথা প্ৰকাশ কৰে। চৰকাৰী খণ্ডৰ বিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়নেৰে শিক্ষা খণ্ডত আমূল পৰিৱৰ্তন অনাৰ বাবে অব্যাহত ৰখা চৰকাৰৰ প্ৰচেষ্টাৰ অংশ হিচাপে মন্ত্ৰীগৰাকীয়ে কলিয়াবৰ বিধানসভা সমষ্টিৰ জখলাবন্ধা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নৱ নিৰ্মিত পুথিভঁৰাল উদ্বোধন কৰাৰ লগতে বিজ্ঞান পৰীক্ষাগাৰ আৰু বিদ্যালয় গৃহৰ আধাৰশিলা স্থাপন কৰে। তেওঁ লগতে মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত নৱ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিনামূলীয়া চাইকেল বিতৰণৰো শুভাৰম্ভ কৰে। আধাৰশিলা স্থাপন কৰি মন্ত্ৰীগৰাকীয়ে চৰকাৰী খণ্ডৰ বিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে গ্ৰহণ কৰা প্ৰচেষ্টা সন্দৰ্ভত এইদৰে মন্তব্য কৰে।

(বাইট ঃ মহন্ত)

০০০০০০

কেন্দ্ৰীয় চৰকাৰ, নাগালেণ্ড চৰকাৰ আৰু ইষ্টাৰ্ণ নাগালেণ্ড পিপ্‌লছ অৰ্গেনাইজেশ্যনে নাগালেণ্ড সীমান্ত আঞ্চলিক প্ৰাধিকৰণ গঠনৰ বাবে এখন চুক্তিত স্বাক্ষৰ কৰিছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ উপস্থিতিত কালি নতুন দিল্লীত এই চুক্তি স্বাক্ষৰিত হয়। নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেইফিউ ৰিঅ' অনুষ্ঠানত উপস্থিত থাকে। চুক্তি স্বাক্ষৰ অনুষ্ঠানত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয়, যে এয়া নাগালেণ্ডৰ জনসাধাৰণৰ বাবে ঐতিহাসিক ক্ষণ। তেওঁ কয়, যে চৰকাৰে এই চুক্তিৰ জৰিয়তে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দৃষ্টিভংগী অনুযায়ী সংঘৰ্ষমুক্ত, হিংসামুক্ত আৰু উন্নত উত্তৰ-পূবৰ দিশে এঢাপ আগুৱালে। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ বিষয়াসকলৰ প্ৰশংসা কৰি শ্ৰীশ্বাহে কয়, যে তেওঁলোকে ইষ্টাৰ্ণ নাগালেণ্ড পিপ্‌লছ অৰ্গেনাইজেশ্যন আৰু নাগালেণ্ড চৰকাৰৰ মাজত সেতু হিচাপে কাম কৰি এই চুক্তি সম্ভৱ কৰি তুলিছে। তেওঁ লগতে পূব নাগালেণ্ডৰ উন্নয়নৰ বাবে কেন্দ্ৰীয় চৰকাৰে সম্ভৱপৰ সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়াব বুলি আশ্বাস দিয়ে।

নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেইফিউ ৰিঅ'ই কয়, যে এই ঐতিহাসিক চুক্তিখনৰ জৰিয়তে সৰ্বাত্মক তথা সম-শাসন সুনিশ্চিত কৰাৰ প্ৰতি চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতা প্ৰতিফলিত হৈছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পুৱা পৰীক্ষাপে চৰ্চা অনুষ্ঠানৰ নৱম সংস্কৰণত দেশৰ বিভিন্ন প্ৰান্তৰ ছাত্ৰ-ছাত্ৰীৰ সৈতে মত বিনিময় কৰিব। এই বাৰ্ষিক অনুষ্ঠান পুৱা ১০ বজাত বিভিন্ন মঞ্চৰ যোগেদি সম্প্ৰচাৰ কৰা হ'ব।

এইবাৰৰ সংস্কৰণত শিক্ষাৰ্থীসকলক পৰীক্ষাৰ সময়ত মানসিক চাপৰ পৰা মুক্ত হৈ থকাত সহায় কৰা আৰু একাত্মচিত্তে শিক্ষা গ্ৰহণত বিশেষ গুৰুত্ব আৰোপ কৰা হ'ব।

০০০০০০

কামৰূপ আৰু কামৰূপ মহানগৰ জিলাত কাইলৈ মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ কৰা হ'ব। যুৱ সৱলীকৰণেৰে আত্মনিৰ্ভৰ অসম নিৰ্মাণৰ লক্ষ্যৰে ৰূপায়ণ কৰা এই অভিযানৰ অধীনত উদ্যোগীসকললৈ আৰ্থিক সাহায্য আগবঢ়োৱা হ'ব। এই উপলক্ষে খানাপাৰাৰ জ্যোতি বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰা উপস্থিত থাকিব। কাইলৈ কামৰূপ জিলাৰ তিনিহাজাৰ ৭১০ গৰাকী আৰু কামৰূপ মহানগৰ জিলাৰ এহেজাৰ ৮৬২ গৰাকী উদ্যোগীয়ে প্ৰথম কিস্তিৰ ধনৰাশি লাভ কৰিব।

০০০০০০

ৰাভা হাচং স্বায়ত্ত শাসিত পৰিষদৰ অন্তৰ্গত অসম-মেঘালয় সীমান্তৰ হাহিমত কালি পৰিষদৰ অধ্যক্ষ সোণাৰাম ৰাভাই দুখন সাংস্কৃতিক মঞ্চ উদ্বোধন কৰে। ৰাভা হাচং স্বায়ত্ত শাসিত পৰিষদৰ ২০২৪-২৫ বিত্তীয় বৰ্ষৰ পুঁজিৰে মৌচোৰা আৰু লালমাটি গাঁৱত এই স্থায়ী মঞ্চ দুখন নিৰ্মাণ কৰা হৈছে। অসম-মেঘালয় সীমান্তৱৰ্তী গাঁওসমূহৰ সামুহিক উন্নয়নৰ বাবে পৰিষদীয় পুঁজিৰে এনে উন্নয়নমূলক কাম-কাজ কৰি অহা হৈছে বুলি অধ্যক্ষগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০

বিধানসভা নিৰ্বাচন সমাগত। ৰাজনৈতিক দলসমূহৰ মাজত নিৰ্বাচন কেন্দ্ৰীক তৎপৰতা বৃদ্ধি পাইছে। ৰাজ্যৰ নিৰ্বাচনী আলেখ-লেখ সম্পৰ্কত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটত প্ৰথমটো দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে আঁত ধৰিবলগীয়া এই অনুষ্ঠানত আকাশবাণী গুৱাহাটীৰ কামৰূপ মহানগৰ জিলাৰ সংবাদদাতা হেমন্ত কুমাৰ বৰা আৰু সাংবাদিক যদুমণি শইকীয়াই ষ্টুডিঅ'ত থাকি বিভিন্ন জিলাৰ কেইবাগৰাকীও সংবাদদাতাৰ পৰা নিৰ্বাচনৰ আলেখ-লেখ ল'ব। এই অনুষ্ঠান মহাবাহু শাখাৰ লগতে বাতৰি বিভাগৰ ফে'ইচবুক পেজ আৰু ইউটিউব চেনেল যোগেও প্ৰচাৰিত হ'ব।

০০০০০০

ভাৰত আজি জিম্বাবুৱেৰ হাৰাৰেত হ'বলগীয়া ১৯ বছৰ অনুৰ্ধ এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি দিনৰ ১ বজাত আৰম্ভ হ'ব। ভাৰতে বুধবাৰে হাৰাৰেত অনুষ্ঠিত দ্বিতীয়খন ছেমি ফাইনেলত আফগানিস্তনক ৭ উইকেটত পৰাস্ত কৰি ফাইনেলত প্ৰবেশ কৰে। একেদৰে ইংলেণ্ডে প্ৰথমখন ছেমি ফাইনেলত যোৱা বাৰৰ চেম্পিয়ন অষ্ট্ৰেলিয়াক ২৭ ৰাণত পৰাভুত কৰি ফাইনেলত স্থান নিশ্চিত কৰে। ভাৰতীয় দলটো এইবাৰৰ প্ৰতিযোগিতাত এতিয়ালৈকে এখনো খেলত পৰাজিত হোৱা নাই। ভাৰত প্ৰতিযোগিতাৰ ইতিহাসত সবাতোকৈ সফল দল। ভাৰতে এতিয়ালৈকে অভিলেখ সংখ্যক পঞ্চম বাৰৰ বাবে প্ৰতিযোগিতাৰ খিতাপ জখল কৰিছে।

০০০০০০

News Paper REV./RNU (06-02-2026) MORN

মেঘালয়ৰ কয়লাখনিত শ্ৰমিকৰ মৃত্যু, ভাৰত-আমেৰিকাৰ বাণিজ্য চুক্তি আৰু ৰাজ্যসভাত দিয়া প্ৰধানমন্ত্ৰীৰ বক্তব্যক আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰিকাকতসমূহে প্ৰথম পৃষ্ঠাত স্থান দিছে।

কয়লাখনিত শ্ৰমিক নিহত হোৱা বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে **মেঘালয়ৰ অবৈধ কয়লাখনিত ভয়ংকৰ কাণ্ড** শিৰোনামেৰে প্ৰকাশ কৰিছে। বাতৰিটোৰ দি আছাম ট্ৰিবিউন কাকতে দিয়া শিৰোনাম **18 Killed in Meghalaya illegal coal mine tragedy.** একেটা বাতৰিকে দ্যা ছেণ্টিনেল আৰু আমাৰ অসম কাকতেও শীৰ্ষ বাতৰি হিচাপে প্ৰকাশ কৰিছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই গৌৰৱ গগৈৰ পাকিস্তান সম্পৰ্কত অনা অভিযোগৰ বাতৰিটো নিয়মীয়া বাৰ্তা কাকতখনে **পাকিস্তানত বেংক একাউণ্ট আছে গৌৰবৰ পত্নীৰ** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অসমীয়া খবৰ কাকতে ৰাজ্যসভাত কালি প্ৰধানমন্ত্ৰীয়ে ভূপেন হাজৰিকাক ভাৰত ৰত্ন প্ৰদানৰ বিৰোধীতা কৰাৰ বাবে কংগ্ৰেছ দলক কৰা সমালোচনাৰ বাতৰিটো **অসমৰ ৰাইজে কংগ্ৰেছক কেতিয়াও ক্ষমা নকৰে** শিৰোনামেৰে প্ৰকাশ কৰিছে।

নাগালেণ্ড টেৰিটৰিয়েল অথৰিটি গঠনৰ বাবে কালি হোৱা ত্ৰিপাক্ষিক চুক্তিৰ বাতৰিটো দৈনিক জনমভূমি কাকতে **গৃহমন্ত্ৰী শ্বাহৰ উপস্থিতিত ত্ৰিপাক্ষিক চুক্তি** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

আজিৰে পৰা আৰম্ভ হোৱা শংকৰদেৱ সংঘৰ বাৰ্ষিক অধিৱেশনৰ বাতৰিটো দৈনিক অসম কাকতে **আজিৰে পৰা জামুগুৰি হাটত শংকৰদেৱ সংঘৰ অধিৱেশন** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত বক্স বাতৰি হিচাপে প্ৰকাশ কৰিছে।

লোকসভাত প্ৰধানমন্ত্ৰীৰ ভাষণ অবিহনে ৰাষ্ট্ৰপতিৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাব গৃহীত হোৱাৰ বাতৰিক দৈনিক অগ্ৰদূত কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলী পৰাৰ আৰু পাছলৈ বতৰ ফৰকাল হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৮ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৪ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, আৰু অৰুণাচল প্ৰদেশৰ ঠাই বিশেষে পাতলীয়া বৰষুণ দিয়াৰ আৰু মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা বতৰ শুকান হৈ থকাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**